**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-03-2026
**Time:** 13-40 Hrs

***Assamese Midday Bulletin***
***Headlines***

***::::::::::::::::::::::::::::::::::::::::***

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীৰ দ্বিতীয়খন চিকিৎসা মহাবিদ্যালয় প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ উদ্বোধন কৰে।

২। নিৰ্বাচন আয়োগে আজি বিয়লি ৪ বজাত ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিব।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড$^{O}$ এছ্ জয়শংকৰ আজি দুদিনীয়া ভ্ৰমণসূচীৰে বেলজিয়ামলৈ ৰাওনা হ'ব। *আৰু*

৪। ছুইছ্ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত মহিলাৰ একক শাখাৰ ছেমি ফাইনেলত কালি ইণ্ডোনেছিয়াৰ উট্ৰি কুছুমা ৱাৰ্ডানিয়ে- অকুহাৰা নজ'মিক পৰাস্ত কৰে।

০০০০

বিজেপি নেতৃত্বাধীন চৰকাৰৰ প্ৰশাসনত বিগত ১০ টা বছৰত অসম সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ মূল স্বাস্থ্য কেন্দ্ৰলৈ ৰূপান্তৰিত হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে মত প্ৰকাশ কৰিছে। ইয়াৰ ফলত অঞ্চলটোৰ বাসিন্দাসকলে চিকিৎসাৰ বাবে বাহিৰলৈ যোৱাৰ প্ৰয়োজনীয়তা হ্ৰাস পাইছে বুলিও তেওঁ উল্লেখ কৰে। শ্ৰীশ্বাহে আজি গুৱাহাটীত স্বাস্থ্য খণ্ডৰ সৈতে জড়িত ভালেমান উন্নযনমূলক প্ৰকল্প উদ্বোধন কৰি ৰাইজক উদ্দেশ্যি দিয়া ভাষণত এই বিষয়ে প্ৰকাশ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে কয় যে অসম ৰাজহুৱা স্বাস্থ্য সেৱা ব্যৱস্থাত ভাৰতৰ ভিতৰতে প্ৰটন থেৰাপি মেছিন ব্যৱহাৰকাৰী প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হৈছে। ইয়াৰ ফলত অসমত বিশ্বমানৰ কৰ্কট ৰোগৰ চিকিৎসা উপলভ্য হৈছে বুলি তেওঁ মন্তব্য কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে গুৱাহাটীত আজি ২০৯০ কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

০০০০

নিৰ্বাচন আয়োগে আজি বিয়লি ৪ বজাত ৪ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিব। অসম, পশ্চিমবংগ, তামিলনাডু, কেৰালাম আৰু পুডুচেৰীত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। অসমৰ ১২৬ জনীয়া বিধানসভাৰ কাৰ্যকাল ২০ মে'ত, পশ্চিমবংগৰ ২৯৪ জনীয়া বিধানসভাৰ কাৰ্যকাল ৭ মে'ত আৰু কেৰালাৰ ১৪০ জনীয়া বিধানসভাৰ কাৰ্যকাল ২৩ মে'ত অন্ত পৰিব। তামিলনাডুত ২৩৪ জন সদস্যৰ বিধানসভাৰ কাৰ্যকাল অহা ১০ মে'ত আৰু পুডুচেৰীৰ ৩০ জনীয়া বিধানসভাৰ কাৰ্যকাল ১৫ জুনত অন্ত পৰিব।

০০০০

নিৰ্বাচন আয়োগে গিৰীশ পাৰ্কৰ সমীপত তৃণমূল কংগ্ৰেছ দলৰ কৰ্মীসকলে কালি বিজেপিৰ সমৰ্থকসকলক আক্ৰমণৰ সময়ত কেন্দ্ৰীয় বাহিনী ব্যৱহাৰ নকৰাৰ বাবে আৰক্ষী আয়ুক্তক জবাবদিহি কৰিছে। বিজেপিৰ সমৰ্থকসকলে কালি কলকাতাৰ ব্ৰিগেড পেৰেড গ্ৰাউণ্ডত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সমাৱেশত ভাগ ল'বলৈ গৈ থকা অৱস্থাত দুয়োটা দলৰ সমৰ্থকসকলৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হৈছিল। এই ঘটনাত ৮ জন আৰক্ষী জোৱানৰ লগতে

দুয়োটা দলৰে কেইবাগৰাকীও সমৰ্থক আঘাতপ্ৰাপ্ত হয়। বিজেপিৰ উত্তৰ কলকাতা জিলাৰ সভাপতি তামুঘ্ন ঘোষক ইটাৰে কৰা আক্ৰমণৰ পিছত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। ৰাজ্যিক আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি ঘটনা সন্দৰ্ভত এতিয়ালৈকে বৰা নগৰ এলেকাৰ পৰা ৩ জন বিজেপি কৰ্মীকে ধৰি ৪ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে। যোৱানিশা বিজেপি নেতা সজল ঘোষৰ নেতৃত্বত বৰাহ নগৰ আৰক্ষী থানাৰ সন্মুখত বিজেপি কৰ্মীসকলৰ গ্ৰেপ্তাৰৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰা হয়। এই আক্ৰমণৰ ঘটনাত পশ্চিমবংগৰ মন্ত্ৰী শশী পাঞ্জাৰ হাত আছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সুকান্ত মজুমদাৰে অভিযোগ উত্থাপন কৰিছে।

ইপিনে, বিৰোধী নেতা সুভেন্দু অধিকাৰীয়ে ৰাজ্যৰ বিজেপি কৰ্মীসকলক এই সমাৰেশত অংশগ্ৰহণত বাধা দিয়াৰ বাবে আৰক্ষীৰো ভূমিকা আছে বুলি অভিযোগ কৰে। এই ঘটনাত কমেও ১২ জন লোক আঘাতপ্ৰাপ্ত হয়। আনহাতে শশী পাঞ্জায়ো তেওঁৰ ওপৰত অপ্ৰৰোচিতভাৱে আক্ৰমণ কৰা হয় বুলি সাংবাদিকসকলৰ আগত প্ৰকাশ কৰে।

০০০০

সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰই ক্ষেপনাস্ত্ৰ আক্ৰমণৰ বাবে নিজৰ ভূখণ্ড ব্যৱহাৰ কৰিবলৈ অনুমতি দিয়া বুলি ইৰাণে অভিযোগ উত্থাপন কৰাৰ পাছতে উপ সাগৰীয় অঞ্চলটোত উত্তেজনা বৃদ্ধি পাইছে। ইৰাণ আৰু আমেৰিকা-ইজৰাইল মিত্ৰজোটৰ মাজত সংঘাত বৃদ্ধি পোৱাৰ সময়তে এই অভিযোগ উত্থাপন কৰাৰ ফলত সমগ্ৰ উপ সাগৰীয় অঞ্চলত অধিক অস্থিৰতাৰ আশংকা বৃদ্ধি পাইছে। ইৰাণৰ খাতাম আল আনবিয়াৰ কেন্দ্ৰীয় মুখ্য কাৰ্যালয়ে ইউ এ ইৰ বাসিন্দসকলক সতৰ্কবাণী জাৰি কৰি জেবেল আলী, খালিফা  বন্দৰ, আৰু ফুজাইৰা বন্দৰকে ধৰি গুৰুত্বপূৰ্ণ বন্দৰৰ ওচৰৰ অঞ্চলসমূহ খালী কৰিবলৈ আহ্বান জনাইছে। ইপিনে, সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ চৰকাৰে ইৰাণৰ অভিযোগ দৃঢ়তাৰে নাকচ কৰি দেশখনে নিজৰ ভূখণ্ডৰ পৰা আক্ৰমণৰ অনুমতি দিয়া নাই বুলি স্পষ্ট কৰি দিছে। দেশখনৰ ৰাষ্ট্ৰপতিৰ উপদেষ্টা আনোৱাৰ গৰগাছে কয়, যে ইউ এ ই আলোচনা আৰু কূটনীতিৰ প্ৰতি দায়বদ্ধ হৈ আছে। আতংক নিয়ন্ত্ৰণৰ বাবে দেশৰ কৰ্তৃপক্ষ আগবাঢ়িছে আৰু সামাজিক মাধ্যমত ভুৱা সংঘাতৰ ভিডিঅ' প্ৰচাৰ কৰাৰ অভিযোগত অভিযুক্ত ১০ জনৰ বিৰুদ্ধে জৰুৰী বিচাৰ আৰম্ভ কৰিছে বুলিও আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

আমালৈ অহা শেহতীয়া বাতৰি অনুসৰি ইউ এ ইৰ তিনিটা বৃহৎ বন্দৰ খালী কৰিবলৈ ইৰাণে আহ্বান জনোৱাৰ এদিন পাছতে আজি পুৱা ইউ এ ইয়ে নতুনকৈ ক্ষেপনাস্ত্ৰ আক্ৰমণৰ বাতৰি প্ৰকাশ কৰে। আনফালে লেবাননত ইজৰাইলৰ আক্ৰমণে পৰিস্থিতি অধিক ভয়াবহ কৰি তুলিছে। বৰ্তমানলৈকে প্ৰায় ৮০০ লোক নিহত হোৱাৰ বিপৰীতে ৮ লাখৰো অধিক লোক গৃহহীন হৈ পৰিছে।

০০০০

এয়াৰ ইণ্ডিয়া আৰু এয়াৰ ইণ্ডিয়া এক্সপ্ৰেছে পশ্চিম এছিয়া সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আজি ১৪ খন বিমানৰ যাত্ৰা বাতিল কৰিছে। এই বিমানসমূহ শ্বাৰজাহৰ পৰা দিল্লী, কন্নোৰ, কোচি, কোজিকড়ে, মুম্বাই আৰু তিৰুৱনন্তমপুৰলৈ চলাচল কৰাৰ কথা আছিল। এয়াৰ ইণ্ডিয়াই এটা বিবৃতি যোগে প্ৰকাশ কৰা মতে, কোজিকড়ে আৰু কোচিলৈ দুখন বিমান চলাচল কৰোৱাৰ সম্ভাৱনা আছে। এই বিমানসমূহ চলাচল কৰোৱাৰ সময়ৰ পৰিস্থিতি আৰু যাত্ৰাপথৰ সুবিধা অনুসৰি উৰণৰ সময় নিৰ্ধাৰণ কৰা হ'ব বুলি বিমান পৰিবহণ সংস্থা কেইটাই প্ৰকাশ কৰিছে।

০০০০

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থাই বেংক জালিয়াতিৰ সৈতে জড়িত  অভিযুক্ত হৰপল সিং আহুজাক গ্ৰেপ্তাৰ কৰিছে। সংস্থাটোৱে জনোৱা মতে, অভিযুক্তজনে মুম্বাই আৰু ফৰিদাবাদৰ মাজত নিজৰ স্থান সলনি কৰি আছিল যদিও এই মাহৰ ১২ তাৰিখে মুম্বাইৰ পৰা গ্ৰেপ্তাৰ কৰা হয়। অভিযুক্তজনক জাজিয়াবাদৰ চি বি আই আদালতৰ বিশেষ ন্যায়াধীশৰ সন্মুখত হাজিৰ কৰোৱা হয় আৰু তাৰ পৰা তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। সংস্থাটোৱে

জনোৱা মতে ২০০১ চনৰ ২৭ এপ্ৰিলত এই গোচৰটো পঞ্জীয়ন কৰা হৈছিল আৰু তদন্ত সম্পূৰ্ণ হোৱাৰ পাছত ২০০৩ চনৰ ১৯ মাৰ্চত অভিযুক্তজনৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা হৈছিল।

০০০০

ঝাৰখণ্ড আৰক্ষীয়ে নিষিদ্ধ ঘোষিত সংগঠন পিপলছ লিবাৰেছন ফ্ৰণ্ট অৱ ইণ্ডিয়াৰ ৬ জন উগ্ৰপন্থীক খুঁটি জিলাত গ্ৰেপ্তাৰ কৰিছে। আৰক্ষী অধীক্ষক মনিষ কুমাৰে জনোৱা অনুসৰি নিৰ্দিষ্ট চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত তাজনা নদীৰ ওচৰত অভিযান চলাই অভিযুক্ত কেইজনক গ্ৰেপ্তাৰ কৰা হয়। আৰক্ষীয়ে তেওঁলোকৰ হাতৰ পৰা এটা অবৈধ পিষ্টল, কাৰ্টিজ, মোবাইল ফোন, ধন দাবীৰ সৈতে জড়িত নথি পত্ৰ আৰু দুখন গাড়ী উদ্ধাৰ কৰে। আৰক্ষীয়ে কোৱা মতে, উগ্ৰপন্থী কেইজনে ব্যৱসায়ী আৰু ঠিকাদৰক ধন সংগ্ৰহৰ ভাবুকি দিয়াৰ লগতে কেইবাটাও অপৰাধমূলক কাণ্ডৰ সৈতে জড়িত আছিল।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি MY Bharat Budget Quest ২০২৬ৰ ৰাজ্যিক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল পৰ্যায়ৰ বিজয়ীসকলৰ সৈতে মত বিনিময় কৰিব। এই পদক্ষেপে যুৱক-যুৱতীসকলক কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা কৰিবলৈ আৰু বিকশিত ভাৰত বা উন্নত ভাৰত গঢ়ি তোলাৰ ক্ষেত্ৰত তেওঁলোকৰ দৃষ্টিভংগী প্ৰকাশ কৰিবলৈ সুযোগ প্ৰদান কৰে। এই অনুষ্ঠানৰ যোগেদি যুৱ মানসিকতা বা যুৱ শক্তিক অংশগ্ৰহণমূলক প্ৰশাসন আৰু অৰ্থনৈতিক পৰিকল্পনাত জড়িত কৰোৱাত গুৰুত্ব আৰোপ কৰা হয়।

অমৃত প্ৰজন্ম বা যুৱ প্ৰজন্মৰ ভূমিকা শক্তিশালী কৰাৰ লগতে ২০৪৭ চনৰ ভিতৰত আত্মনিৰ্ভৰ বিকশিত ভাৰতত গঢ়াৰ ক্ষেত্ৰত অৰিহণা যোগোৱাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। MY Bharat Budget Questত ১২ লাখ যুৱক-যুৱতীৰ অংশগ্ৰহণেৰে ব্যাপক সঁহাৰি লাভ কৰিছে আৰু ইয়াৰ বাবে ৪৭ হাজাৰখন ৰচনা দাখিল কৰা হৈছে। এই প্ৰেক্ষাপটত MY Bharat Platformত আয়োজিত MY Bharat Budget Quest ২০২৬-এ কেন্দ্ৰীয় বাজেটক দেশৰ যুৱক-যুৱতীসকলৰ কাষ চপাই নিয়ে। যাৰ ফলত তেওঁলোকে ইয়াৰ অগ্ৰাধিকাৰসমূহ বুজাৰ লগতে আৰু ইয়াৰ দৃষ্টিভংগী সম্পৰ্কে চিন্তা-চৰ্চা কৰি ভাৰতৰ উন্নয়নৰ যাত্ৰাত সক্ৰিয়ভাৱে অৱদান আগবঢ়াব পাৰে।

০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজি অসম, অৰুণাচল প্ৰদেশ, মেঘালয়কে ধৰি হিমাচল প্ৰদেশ, জম্মু-কাশ্মীৰ, লাডাখ, চণ্ডীগড়, হাৰিয়ানা, পূব উত্তৰ প্ৰদেশ, পঞ্জাব আৰু উত্তৰাখণ্ডত শিলাবৃষ্টি আৰু ধুমুহা বতাহৰ সৈতে বজ্ৰপাতৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি সতৰ্কবাণী জাৰি কৰিছে। আকাশবাণী নিউজৰ সৈতে হোৱা কথা-বতৰাত বিভাগৰ জ্যেষ্ঠ বিজ্ঞানী আৰ কে জেনামণীয়ে আজি ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীতো ধুমুহা, বজ্ৰপাতৰ বাবে য়েল্লো এলাৰ্ট জাৰি কৰা হৈছে বুলি জনায়।

০০০০

ছুইছ্ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ ছেমি ফাইনেলত কালি ইণ্ডোনেছিয়াৰ উট্ৰি কুছুমা ৱাৰ্ডানিয়ে অকুহাৰা নজ'মিক ২১-১৬, ২১-১৩ গেমত পৰাস্ত কৰে। আজি অনুষ্ঠিত হ'বলগীয়া ফাইনেলত ৱাৰ্ডানিয়ে বিশ্বৰ সাত নম্বৰ খেলুৱৈ শ্বিড ছুপানিদা কাটেথঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

সমাপ্ত